# ধানৰ আংগিক ৰূপ

www.rkbassam.in

*Rice Fact Sheet*

**প্ৰস্তাৱনা ঃ**

ধান এবিধ ভিন্নতা পূৰ্ণ শস্য। ইয়াৰ ভিন ভিন জাতি আৰু প্ৰজাতি আছে । প্ৰতিবিধ জাতৰ সুকীয়া বৈশিষ্ট্য আছে আৰু ধান গছৰ আংগিক ৰূপ আৰু বৃদ্ধিৰ বৈশিষ্ট্য অনুসৰি জাতসমূহক চিনাক্ত কৰিবপৰা যায়। ধান বৃদ্ধিৰ বিভিন্ন পৰ্যায়সমূহে ধান বোৱা আৰু চপোৱাৰ সময়ৰ ওপৰত প্ৰভাৱ পেলায়।

**ধানৰ আংগিক ৰূপ**

ধানৰ আংগিক ৰূপ হ'ল এনে এক অধ্যয়ন, যাৰ দ্বাৰা ধান গছ এজোপাৰ অংগজ আৰু প্ৰজনন কালত হোৱা বাহ্যিক পৰিৱৰ্তনসমূহৰ বিষয়ে জানিব পৰা যায়।

**ধান গছ বৃদ্ধিৰ পৰ্যায়সমূহ ঃ**

ধানৰ বৃদ্ধি কালটো তিনিটা পৰ্যায়ত আৰু দহটা বিভিন্ন অৱস্থাত ভাগ কৰিব পাৰি। পৰ্যায়কেইটা হ'ল - অংগজ কাল, প্ৰজনন কাল আৰু পূৰ্ণাৱস্থা।

**অংগজ কাল**

ধানৰ বীজে পৰ্যাপ্ত পানী শুহি অংকুৰিত হোৱাৰ পৰা ধান গছৰ পোখা মেলি সম্পূৰ্ণ হোৱা অৱস্থালৈ অংগজ কাল । ধানৰ জাত আৰু গছৰ পোহৰ-সংবেদনশীলতাৰ ওপৰত নিৰ্ভৰ কৰি অংগজ কালৰ দীৰ্ঘতা নিৰ্ভৰ কৰে। এই কালতো অংকুৰণৰ পৰা পুলি ওলোৱা, পুলিৰ পৰা পোখা ওলোৱা আৰু পুলিৰ বাঢ়ন- এই চাৰিটা অৱস্থাত বিভক্ত।

**প্ৰজনন কাল**

ধানৰ পৰ্যাপ্ত পোখা মেলাৰ পিছত গেঁৰ ধৰা সময়চোৱাৰে আৰম্ভ হৈ ফুল ফুলা আৰু পৰাগযোগ হোৱালৈ এই অৱস্থা শেষ হয়। প্ৰায় 30- 35 দিন লগা এই পৰ্যায়টো গেঁৰ ধৰাৰ পৰা সগৰ্ভা ৰূপ, গেঁৰ ওলোৱা আৰু ফুলাৰে বিভক্ত।

**পূৰ্ণাৱস্থা**

ফুল ফুলাৰ পৰা প্ৰায় 30 দিনত ধান পকে। গাখীৰতী, গোটা মাৰিব ধৰা আৰু ক্ৰমান্বয়ে পূৰঠ হোৱালৈ এই পৰ্যায় শেষ হয়।




| ক্ৰমিক নং | বৃদ্ধিৰ পৰ্যায় সমূহ | বিৱৰণ |
|---|---|---|
| 1 | অংকুৰণৰ পৰা পুলি ওলোৱা | ৰেডিকল আৰু প্লামুল ওলায় |
| 2 | পুলি অৱস্থা | ছেমিনেল শিপা আৰু পাঁচটা পাতলৈ ওলায় |
| 3 | পোখা ওলোৱা | প্ৰথম পোখাৰ পৰা আনবোৰ পোখা ওলোৱালৈ |
| 4 | পুলিৰ বাঢ়ন | জাতৰ ওপৰত নিৰ্ভৰ কৰে |
| 5 | গেঁৰ ধৰাৰ পৰা সগৰ্ভা ৰূপ | গেঁৰ ধৰা আৰম্ভ |
| 6 | গেঁৰ ওলোৱা | গেঁৰ স্পষ্ট হয় |
| 7 | ফুল ফুলা | ফুল ফুলা আৰম্ভ হয় |
| 8 | গাখীৰতী | গুটি বিলাকত গাখীৰ ভৰি পৰে |
| 9 | গোটা মাৰিব ধৰা | গাখীৰ বোৰ শুকাই গোটা মাৰে |
| 10 | পূৰঠ হোৱা | গুটি বিলাক পূনঃবৰ্ধ হয়, হালধীয়া বৰণ হয় |


Assam Agribusiness and Rural Transformation Project (APART)

The World Bank is the funding agency of APART
Department of Agriculture, Assam is the nodal department for implementation of APART
ARIAS Society is the State level coordinating and monitoring agency for APART
Assam Agricultural University is the leading Agricultural University of the State and implementing agency of APART, imparting research and scientific support.
International Rice Research Institute (IRRI) is the rice global leader providing technical and hand-holding support in the implementation of APART



The opinions expressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. Attribution – Non Commercial-Share Alike 3.0 (Unported)